NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিঅ'ত জি-২০ শীৰ্ষ সন্মিলনত ভাগ ল'ব।

২। প্ৰধানমন্ত্ৰী আৰু নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুৰে দেশ দুখনৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ লগতে দ্বি-পাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰে।

৪। উত্তৰাখণ্ডৰ চামলী জিলাত অৱস্থিত শ্ৰীবদ্ৰিনাথ ধামৰ দুৱাৰ কালি নিশা ৯ বাজি ৭ মিনিটত শীতকালৰ বাবে বন্ধ কৰা হয়।

**আৰু**

৫। বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কয় যে তেওঁলোকৰ চৰকাৰখনে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনাৰ প্ৰত্যাৱৰ্তন কামনা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত জি-২০ শীৰ্ষ সন্মিলনত ভাগ ল'ব। এই সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰীয়ে বিশ্বনেতাসকলৰ সৈতে পৃথক বৈঠকত ভাগ ল'ব। শ্ৰীমোদী, আমেৰিকা ৰাষ্ট্ৰপতি জ' বাইডেন আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং হৈছে জি-২০ সন্মিলনত আজি আৰু কাইলৈ অংশগ্ৰহণ কৰিবলগীয়া নেতাসকলৰ মাজৰ অন্যতম।

ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ত্ৰোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দ্যা গ্লোবেল ছাউথ সন্মিলনৰ লাভালাভ সম্পৰ্কে আলোচনা কৰিব। এই সন্মিলন অতি গুৰুত্বপূৰ্ণ কাৰণ ভাৰতে যোৱা বছৰ অগ্ৰাধিকাৰ দিয়া বিষয়সমূহ ইয়াত আগবঢ়াই লৈ যোৱা হ'ব। বিগত বৰ্ষৰ ছেপ্তেম্বৰত নতুন দিল্লীত ভাৰতে জি-২০ সন্মিলন সফলভাৱে আয়োজন কৰে। এই সন্মিলনতে ভাৰতে নতুন দিল্লী ঘোষণা পত্ৰত ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধক অন্তৰ্ভুক্ত কৰাৰ বাবে বিশ্ব নেতাসকলক মান্তি কৰাই গুৰুত্বপূৰ্ণ কূটনৈতিক অগ্ৰগতি লাভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ লগতে দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। দুগৰাকী নেতাই এখন

ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হোৱাৰ পাছত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে এই আলোচনা সফল হোৱা বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতি টিনুবুৰ সৈতে এই প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে নাইজেৰিয়াৰ সৈতে কৌশলগত অংশীদাৰিত্বক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। এই ক্ষেত্ৰত তেওঁ দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা, শক্তি, প্ৰযুক্তি, স্বাস্থ্য, শিক্ষা আৰু সাংস্কৃতিক সহযোগিতাৰ ক্ষেত্ৰতসমূহৰ কথা উল্লেখ কৰে। তেওঁ কয় যে উভয় দেশে সন্ত্ৰাসবাদ আৰু জলদস্যুৰ লেখিয়া প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত একেলগে কাম কৰি আছে। শ্ৰীমোদীয়ে নাইজেৰিয়াই তেওঁক গ্ৰেণ্ড কমাণ্ডাৰ অৱ দ্যা অৰ্ডাৰ অৱ দ্যা নাইজাৰ সন্মানেৰে বিভূষিত কৰাৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীক ধন্যবাদ জনায়। তেওঁ কয় যে এই সন্মান কেৱল তেওঁৰ বাবে নহয় বৰং সমগ্ৰ ভাৰতবাসীৰ বাবে। এই সন্মান ভাৰত আৰু নাইজেৰিয়াৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ ফচল বুলি প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। তেওঁ কয় যে ১৭ বছৰৰ পাছত ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে নাইজেৰিয়া ভ্ৰমণ কৰিছে। নিজৰ তৃতীয়টো কাৰ্যকালত নাইজেৰিয়া ভ্ৰমণৰ সুযোগ লাভ কৰি তেওঁ অতিশয় আনন্দিত বুলি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে ভাৰতে নাইজেৰিয়াৰ বান সাহায্য প্ৰচেষ্টাৰ সমৰ্থনৰ বাবে ২০ টন মানৱীয় সাহায্য আগবঢ়াইছে বুলি প্ৰকাশ কৰে। ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ অংশীদাৰ হোৱাৰ বাবে নাইজেৰিয়াক শুভেচ্ছা জ্ঞাপন কৰি তেওঁ ভাৰত আৰু নাইজেৰিয়াই গোলকীয় দক্ষিণে সন্মুখীন হোৱা সমস্যাসমূহ বিশ্বৰ সন্মুখলৈ আনিব পাৰিব বুলি বিশ্বাস ব্যক্ত কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক আবুজাৰ ৰাষ্ট্ৰপতিৰ আৱাসত আনুষ্ঠানিকভাৱে স্বাগতম জনোৱা হয়। আলোচনাৰ অন্তত সাংস্কৃতিক বিনিময় কাৰ্যসূচী, শুল্ক সহযোগিতা আৰু জৰীপ সহযোগিতাৰ ক্ষেত্ৰত তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়।

তেওঁ নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৱেশতো ভাষণ দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে একেটা বিষয় লৈ আজি আন এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা। গৃহমন্ত্ৰীগৰাকীয়ে কালিৰ বৈঠকত কয় যে মণিপুৰলৈ শান্তি-শৃংখলা ওভতাই অনাৰ উদ্দেশ্যে নিৰাপত্তা বাহিনীসমূহক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি ৰাজ্যখনত শান্তি আৰু নিৰাপত্তা বিঘ্নিত হৈছে। গৃহ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে ৰাজ্যখনত সংঘৰ্ষৰ সৈতে জড়িত হৈ থকা দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুৰ্বৃত্তই হিংসাত লিপ্ত হৈ ৰাজ্যখনলৈ শান্তি-শৃংখলা ভংগ কৰাৰ লগতে বহু নিৰিহ লোকক হত্যা কৰিছে। হিংসাত্মক কাৰ্যকলাপত জড়িত হৈ থকা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত প্ৰকাশ কৰা হয়। গুৰুত্বপূৰ্ণ অভিযোগ সমূহ অনুসন্ধানৰ বাবে নিয়ালৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি, ৰাজ্যখনৰ জনসাধাৰণলৈ শান্তি বৰ্তাই ৰখাৰ লগতে উৰা-বাতৰিক বিশ্বাস নকৰিবলৈ তথা শান্তি-শৃংখলা বজাই ৰখাত নিৰাপত্তা বাহিনীৰ প্ৰতি সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

অসমৰ কাছাৰ জিলাৰ বৰাক নদীত কালি উদ্ধাৰ হোৱা মহিলাৰ মৃতদেহটো সোমবাৰে মণিপুৰত কুকি উগ্ৰপন্থীয়ে অপহৰণ কৰা ৬গৰাকী লোকৰ ভিতৰৰ এগৰাকীৰ বুলি সন্দেহ কৰা হৈছে। ইম্ফলৰ আৰক্ষী সূত্ৰই এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে জিৰিবামৰ ব'ৰ'বেকৰা মহকুমাত শুকুৰবাৰে আন ৩গৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত মণিপুৰৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰতিবাদ অব্যাহত আছে। ইপিনে,

ৰাজ্যখনৰ গৃহ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে বিয়পা দেশ তথা সমাজ বিৰোধী বিভিন্ন উৰা-বাতৰি নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্য কালি বিয়লি জিৰিবাম আৰু ফেৰজল জিলাত দুদিনৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে। আনহাতে, কালিৰ পৰা পাঁচখন উপত্যকা জিলাকে ধৰি ৭খন জিলাত ইণ্টাৰনেট সেৱা দুদিনৰ বাবে কৰ্তন কৰা হৈছে।

০০০০০

এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰৰ প্ৰতি নেছনেল পিপলছ্ পাৰ্টিয়ে সমৰ্থন প্ৰত্যাহ্বাৰ কৰিছে। এন পি পিৰ ৰাষ্ট্ৰীয় সভাপতি কনৰাড কে চাংমাই বিজেপিৰ সভাপতি জে পি নাড্ডাক এন পি পিৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। একাদশ মণিপুৰ বিধানসভাত থকা ৭ গৰাকী এন পি পি বিধায়কে মণিপুৰৰ বিজেপিৰ নেতৃত্ব চৰকাৰক সমৰ্থন দিছিল। মণিপুৰ বিধানসভাত বিজেপিৰ বিধায়কৰ সংখ্যা ৩২। সদ্যহতে এন বীৰেন সিঙৰ চৰকাৰৰ প্ৰতি এন পি এফ, জে ডি ইউ আৰু কেইবাগৰাকীয়ো নিৰ্দলীয় বিধায়কৰ সমৰ্থন আছে। কনৰাড কে চাংমাই লিখা পত্ৰখনত উল্লেখ কৰা হৈছে যে মণিপুৰৰ সাম্প্ৰতিক আইন শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে এন পি পি উদ্বিগ্ন। বিগত কেইটামান দিনত পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ লগতে বহু নিৰিহ লোকে প্ৰাণ হেৰুওৱাৰ বিষয়টো পত্ৰখনত উল্লেখ কৰা হয়। ৰাজ্যখনলৈ স্বাভাৱিক পৰিস্থিতি ওভতাই অনাৰ লগতে সমস্যা সমাধানৰ ক্ষেত্ৰত এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰ সম্পূৰ্ণৰূপে বিফল হোৱা বুলি দলে অনুভৱ কৰাৰ বিষয়ে উল্লেখ কৰি শীঘ্ৰে বলবৎ হোৱাকৈ ৰাজ্য চৰকাৰৰ প্ৰতি থকা সমৰ্থন এন পি পিয়ে প্ৰত্যাহ্বাৰ কৰে।

০০০০০

উত্তৰাখণ্ডৰ চামলী জিলাত অৱস্থিত শ্ৰীবদ্ৰিনাথ ধামৰ দুৱাৰ কালি নিশা ৯ বাজি ৭ মিনিটত শীতকালৰ বাবে বন্ধ কৰা হয়। বদ্ৰিনাথ ধামৰ দুৱাৰ বন্ধ কাৰ্যসূচী উপলক্ষে মন্দিৰটো ১৫ কুইণ্টল নাৰ্জি ফুলেৰে সজোৱা হয়। ধামৰ সিং দুৱাৰ ভৱনত গৰৱাল স্কাউট বেণ্ডৰ ধৰ্মীয় সুৰেৰে সমগ্ৰ বদ্ৰিনাথ ধাম মুখৰ হৈ উঠে। ইয়াৰপূৰ্বে জিলা দণ্ডাধীশ সন্দীপ তিৱাৰীয়ে মন্দিৰৰ কাৰ্যসূচীৰ সকলো ব্যৱস্থাপনা পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্য বদ্ৰিনাথ ধাম দৰ্শন কৰে। জিলা দণ্ডাধীশগৰাকীয়ে ভক্তসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে পৰিবেশ মিত্ৰ, আৰক্ষী বাহিনী, আই টি বি পি আৰু মন্দিৰ সমিতিৰ বিষয়া তথা কৰ্মচাৰীসকলৰ প্ৰচেষ্টা প্ৰশংসা কৰে। ধৰ্মীয় মন্ত্ৰৰ উচ্চাৰণ তথা বৈদিক নিয়মেৰে মন্দিৰৰ দুৱাৰ বন্ধ কৰা হয়।

০০০০০

বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কয় যে তেওঁলোকৰ চৰকাৰখনে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনাৰ প্ৰত্যাৱৰ্তন কামনা কৰিছে। যোৱা আগষ্ট মাহত হাচিনাৰ চৰকাৰ ভংগ হোৱাৰ পাছত তেওঁ বৰ্তমান ভাৰতত আছে। বাংলাদেশত অন্তৰৰ্তীকালীন চৰকাৰৰ ১০০ দিন সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা এটা অনুষ্ঠানত ভাষণ দি মহম্মদ ইউনুছে কয় যে তেওঁৰ চৰকাৰে নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰপূৰ্বে তেওঁ বাংলাদেশে শ্বেইখ হাচিনাই ভাৰতৰ পৰা তাৎক্ষণিকভাৱে প্ৰত্যাৱৰ্তন কৰাটো বিচৰা নাই বুলি বাৰে বাৰে উল্লেখ কৰিছে। যোৱা ৮ আগষ্টত দেশখনৰ মুখ্য উপদেষ্টাৰ দায়িত্ব গ্ৰহণ কৰা ইউনুছে শ্বেইখ হাচিনাৰ বিৰুদ্ধে হোৱা প্ৰতিবাদত ছাত্ৰ আৰু কাৰ্যকৰ্তাকে ধৰি প্ৰায় এহেজাৰ ৫০০ লোকে প্ৰাণ হেৰুৱাৰ লগতে ১৯ হাজাৰ ৯৩১গৰাকী লোক আহত হোৱা বুলি অভিযোগ তোলে। বিতৰ্কিত চাকৰিৰ কেলেংকাৰীৰ সন্দৰ্ভত চৰকাৰৰ বিৰুদ্ধে দেশজুৰি

বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে ৭৭ বছৰীয়া শ্বেইখ হাচিনাই প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰি দেশ এৰি ভাৰতলৈ পলাই আহে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জীৱিত থকাৰ ডিজিটেল প্ৰমাণপত্ৰ** এই সন্দৰ্ভত পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগৰ যুটীয়া সচিব ধ্ৰুৱজ্যোতি সেনগুপ্ত আৰু প্ৰতিৰক্ষা লেখা বিভাগৰ যুটীয়া মহানিয়ন্ত্ৰক মলি সেনগুপ্তৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক এই সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্জৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

**সমাপ্ত**